# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-01-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::::::::::

১। অহা ফেব্ৰুৱাৰীৰ ১ তাৰিখে লোকসভাত ২০২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেট দাখিল কৰা হ'ব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ গান্ধী নগৰৰ মহাত্মা মন্দিৰত জাৰ্মান চেঞ্চেলৰ ফ্ৰেডৰিক মাৰ্জক সাক্ষাৎ কৰে।

৩। ভাৰত আৰু জাৰ্মানীয়ে আজি ১৯ খন গুৰুত্বপূৰ্ণ পাৰস্পৰিক বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

৪। ভাৰতৰ প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা চমুকৈ ডি আৰ ডি অ'ই কালি হায়দৰাবাদত চলন্ত লক্ষ্যৰ ওপৰত আক্ৰমণ কৰিব পৰা পোৰ্টেবল এণ্টিটেংক গাইডেড মিছাইলৰ পৰীক্ষণ সফলতাৰে সম্পন্ন কৰে।

*আৰু*

৫। ভাৰতত ২০২৫ চনৰ নতুন বাহনৰ পঞ্জীয়নৰ, ৮ শতাংশ হৈছে বৈদ্যুতিক বাহন আৰু বছৰটোত মুঠতে ২৩ লাখ বৈদ্যুতিন বাহন বিক্ৰী হৈছিল।

০০০০

অহা ফেব্ৰুৱাৰীৰ ১ তাৰিখে লোকসভাত ২০২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেট দাখিল কৰা হ'ব। সংসদৰ বাজেট অধিবেশন ২৮ জানুৱাৰীৰ পৰা ২ এপ্ৰিললৈকে চলিব। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয় যে ১ ফেব্ৰুৱাৰীৰ দিনৰ এঘাৰ বজাত লোকসভাত বাজেট দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। তেওঁ আজি নতুন দিল্লীত অনুষ্ঠিত এখন সংবাদ মেলত এইকথা প্ৰকাশ কৰে।

ইয়াৰ পূৰ্বে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কৈছিল যে ২৮ জানুৱাৰীৰ পৰা আৰম্ভ হ'বলগীয়া বাজেট অধিবেশন ১৩ ফেব্ৰুৱাৰীত সমাপ্ত হ'ব। ৯ মাৰ্চত দ্বিতীয় পৰ্যায়ৰ বাবে সদন পুনৰ অনুষ্ঠিত হ'ব আৰু ২ এপ্ৰিললৈকে চলিব। মন্ত্ৰীগৰাকীয়ে কয়, যে অৰ্থপূৰ্ণ বিতৰ্ক আৰু জনকেন্দ্ৰীক শাসনৰ দিশত ই এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। মন্ত্ৰীগৰাকীয়ে জনোৱা মতে, কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শ অনুসৰি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২০২৬ চনৰ বাজেট অধিবেশনৰ বাবে দুয়োখন সদন অনুষ্ঠিত কৰাৰ অনুমোদন দিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ গান্ধী নগৰৰ মহাত্মা মন্দিৰত জাৰ্মান চেঞ্চেলৰ ফ্ৰেডৰিক মাৰ্জক সাক্ষাৎ কৰে। এই সাক্ষাতে ভাৰত-জাৰ্মান দ্বিপাক্ষিক সম্পৰ্কৰ ক্ষেত্ৰত নতুন অধ্যায়ৰ সূচনা কৰিব বুলি আশা কৰা হৈছে। দুয়োগৰাকী নেতাই পাৰস্পৰিক সহযোগিতা বৃদ্ধিৰ লগতে দুয়োদেশৰ উন্নয়নৰ সৈতে জড়িত কেইবাটাও বিষয় লৈ আলোচনা কৰে। তদুপৰি ২৫ বছৰ সম্পূৰ্ণ হোৱা ভাৰত-জাৰ্মানীৰ কৌশলগত অংশীদাৰিত্ব সন্দৰ্ভতো আলোচনা কৰা হয়। এই দ্বিপাক্ষিক আলোচনাত বাণিজ্য, বিনিয়োগ, উচ্চ প্ৰযুক্তি, প্ৰতিৰক্ষা ক্ষেত্ৰত অংশীদাৰিত্ব

বৃদ্ধি, সেউজ বহনক্ষম উন্নয়ন, বিজ্ঞান আৰু গৱেষণা ক্ষেত্ৰৰ বিকাশ সন্দৰ্ভত আলোচনা কৰা হয়। দুয়ো দেশৰ নেতা দুগৰাকীয়ে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ গুৰুত্বপূৰ্ণ কেতবোৰ বিষয় লৈ আলোচনা কৰে। ইয়াৰ আগেয়ে শ্ৰীমোদী আৰু চেঞ্চেলৰ মাৰ্জে সবৰমতী আশ্ৰম পৰিদৰ্শন কৰাৰ লগতে গান্ধীজীৰ পূৰ্বৰ বাসগৃহ হৃদয়কুঞ্জো দৰ্শন কৰে। তেওঁলোকে মহাত্মা গান্ধীৰ সৰল জীৱন, অহিংসা, সত্য আৰু আত্মনিৰ্ভৰশীলতাৰ প্ৰমূল্যৰাজিৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। পৰিদৰ্শনকালত মহাত্মা গান্ধীৰ আদৰ্শৰাজিৰ প্ৰতি অভিভূত হৈ চেঞ্চেলৰ মাৰ্জে গান্ধীজীৰ বাসগৃহত থকা অতিথিৰ টোকাবহীত নিজৰ অনুভৱ ব্যক্ত কৰে। তেওঁ কয়, যে মহাত্মা গান্ধীৰ স্বাধীনতাৰ শক্তিৰ প্ৰতি থকা দৃঢ় বিশ্বাস সকলোৰে বাবে অনুপ্ৰেৰণা হৈ থাকিব। এইগৰাকী মহান ব্যক্তিৰ আদৰ্শ আৰু প্ৰমূল্য ভাৰত আৰু জাৰ্মানীৰ মাজত সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক সৃষ্টিৰ ক্ষেত্ৰত সাঁকো হৈ থাকিব বুলি তেওঁ মন্তব্য কৰে। ইয়াৰ পাছতে শ্ৰী মোদী আৰু মাৰ্জে আহমেদাবাদত আন্তঃৰাষ্ট্ৰীয় চিলা মহোৎসৱত অংশ লয়। তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই মহোৎসৱত ৫০ খন ৰাষ্ট্ৰৰ পৰা ১৩৫ খন চিলা উৰুওৱা হ'ব। এই অনুষ্ঠানত দেশৰ বিভিন্ন প্ৰান্তৰ ৯০০ গৰাকী অংশগ্ৰহণকাৰীয়ে ভাগ ল'ব। মহোৎসৱত কাইলৈ নৈশ চিলা উৰুওৱা কাৰ্যসূচী বিশেষ আকৰ্ষণ হচাপে পৰিগণিত হ'ব বুলি আশা কৰা হৈছে। এইবাৰৰ মহোৎসৱত অপাৰেচন সিন্দূৰক বিষয়বস্তু হিচাপে লৈ চিলা প্ৰস্তুত কৰা হৈছে।

০০০০

ভাৰত আৰু জাৰ্মানীয়ে আজি ১৯ খন গুৰুত্বপূৰ্ণ পাৰস্পৰিক বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই বুজাবুজিৰ চুক্তি স্বাক্ষৰৰ জৰিয়তে দ্বিপাক্ষিক প্ৰতিৰক্ষা, ঔদ্যোগিক সহযোগিতাক শক্তিশালী কৰাৰ বাবে যুটীয়াভাৱে মুখ্য কাৰ্যবাহী বিষয়াৰ এখন মঞ্চ গঠন কৰি ৮ টা গুৰুত্বপূৰ্ণ ঘোষণা কৰে। ভাৰতৰ বৈদেশিক সচিব বিক্ৰম মিশ্ৰিয়ে সংবাদমেল সম্বোধন কৰি কয় যে জাৰ্মানীৰ ছেনচেলৰৰ ভাৰত ভ্ৰমণত প্ৰতিৰক্ষা, বাণিজ্য, দক্ষতা, সেউজ শক্তি আৰু মানুহৰ লগত মানুহৰ সম্পৰ্কৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। ভাৰতীয় পাৰপত্ৰ থকা লোকৰ জাৰ্মানীলৈ যোৱাৰ বাবে কোনো ভিছাৰ প্ৰয়োজন নোহোৱাৰ কথা আৰু ভাৰতীয় স্বাস্থ্য সেৱা খণ্ডৰ ব্যক্তিসকলক জাৰ্মানীত নিযুক্তি দিয়াৰ কথা ঘোষণা কৰে। লগতে জাৰ্মানীয়ে সেউজ আৰু বহনক্ষম সহযোগিতাৰ অধীনত নৱীকৰণযোগ্য শক্তি, সেউজ হাইড্ৰ'জেন আৰু জলবায়ু স্থিতিস্থাপক নগৰীয়া আন্তঃগাথনিৰ বাবে ১ দশমিক ২ - ৪ বিলিয়ন ইউৰোৰ পুঁজিৰ কথা ঘোষণা কৰে।

০০০০

প্ৰধানমন্ত্ৰীৰ সক্ৰিয় প্ৰশাসন আৰু সময়োচিত কাৰ্যকৰীকৰণ চমুকৈ প্ৰগতিয়ে প্ৰধানমন্ত্ৰীৰ ধ্বজাবাহী মঞ্চৰ ৫০ সংখ্যক বৈঠকৰ সফল পৰিচালনাৰে এক উল্লেখযোগ্য মাইলৰ খুটি স্থাপন কৰিছে। ২০১৫ চনৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰম্ভ কৰা এই মঞ্চৰ দ্বাৰা কেন্দ্ৰীয় মন্ত্ৰালয় আৰু ৰাজ্য চৰকাৰৰ সক্ৰিয় সহযোগিতাৰ জৰিয়তে প্ৰকল্প নিৰীক্ষণ, নাগৰিকৰ অভিযোগ নিৰাময় আৰু আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীৰ প্ৰত্যক্ষ পৰ্যালোচনা সম্ভৱ হৈছে। দশকজোৰা এই মঞ্চই চৰকাৰৰ সিদ্ধান্ত গ্ৰহণ প্ৰণালী, আন্তঃগাথনি প্ৰকল্পসমূহত দেখা দিয়া সমস্যাসমূহ দ্ৰুতভাৱে সমাধান কৰাত সহায়ক হৈছে।

০০০০

ভাৰতৰ প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা চমুকৈ ডি আৰ ডি অ'ই কালি হায়দৰাবাদত চলন্ত লক্ষ্যৰ ওপৰত আক্ৰমণ কৰিব পৰা পোৰ্টেবল এণ্টিটেংক গাইডেড মিছাইলৰ পৰীক্ষণ সফলতাৰে সম্পন্ন কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ইয়াৰ বাবে ডি আৰ ডি অ'ৰ লগতে তেওঁলোকৰ সহযোগী উদ্যোগীক প্ৰতিষ্ঠানসমূহক

প্ৰশংসা কৰে। তেওঁ কয় যে এই পৰীক্ষা স্বাৱলম্বি ৰাষ্ট্ৰ গঢ়াৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ। প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ মতে থলুৱাভাৱে নিৰ্মাণ কৰা এই ক্ষেপনাস্ত্ৰত সম্পূৰ্ণভাৱে অত্যাধুনিক থলুৱা প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে।

০০০০

ভাৰতত ২০২৫ চনৰ নতুন বাহনৰ পঞ্জীয়নৰ, ৮ শতাংশ হৈছে বৈদ্যুতিক বাহন আৰু বছৰটোত মুঠতে ২৩ লাখ বৈদ্যুতিন বাহন বিক্ৰী হৈছিল। বাহন পৰ্টেলৰ তথ্য অনুসৰি যোৱা বছৰটোত দুচকীয়া বৈদ্যুতিক বাহন ১২ লাখ ৮০ হাজাৰ, ৮ লাখ ৩ চকীয়া বৈদ্যুতিক বাহন আৰু ৭৫ হাজাৰ চাৰিচকীয়া বৈদ্যুতিক বাহন বিক্ৰী হয়। এই ক্ষেত্ৰত ৰাষ্ট্ৰীয় বিক্ৰীৰ ১৮ শতাংশৰে উত্তৰ প্ৰদেশ প্ৰথম স্থানত আৰু ইয়াৰ পাছতে মহাৰাষ্ট্ৰ আৰু কৰ্ণাটক আছে।

০০০০

আজি ৰাষ্ট্ৰীয় যুৱ দিৱস। প্ৰসিদ্ধ দাৰ্শনিক, স্বপ্নদ্ৰষ্টা স্বামী বিবেকানন্দৰ জয়ন্তী উপলক্ষে প্ৰতিবছৰে আজিৰ দিনটোত এই দিৱস পালন কৰি অহা হৈছে। যুৱ প্ৰজন্মৰ মাজত আত্মবিশ্বাস, সেৱা আৰু দেশ গঢ়াৰ প্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে পালন কৰি অহা ৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে স্বামী বিবেকানন্দৰ কালজয়ী দৃষ্টিভংগী, মতাদৰ্শ আৰু আধ্যাত্মিক চেতনা মানৱ জীৱনৰ শক্তি হৈ চিৰকাল অনুপ্ৰাণিত কৰি থাকিব। তেওঁ কয়, যে স্বামী বিবেকানন্দই ভাৰতীয়সকলৰ চেতনাত ৰাষ্ট্ৰীয়তাবাদী চিন্তা-ধাৰা প্ৰৱাহিত কৰাৰ লগতে যুৱ প্ৰজন্মক ৰাষ্ট্ৰ গঠনৰ বাবে উৎসাহিত কৰি গৈছে। তেওঁৰ শিকনিসমূহে সমগ্ৰ মানৱ জাতিক উৎসাহিত কৰি থাকিব বুলি শ্ৰীমতী মুৰ্মুৱে মত প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে স্বামী বিবেকানন্দৰ জয়ন্তী উপলক্ষে শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে শ্ৰী ৰাধাকৃষ্ণণে কয়, যে স্বামী বিবেকানন্দৰ জীৱন আৰু শিকনিসমূহে মানুহক স্ব-অনুশাসন আৰু নিঃস্বাৰ্থ সেৱাক আধাৰ হিচাপে লৈ অৰ্থবহ জীৱন যাপন কৰিবলৈ প্ৰেৰিত কৰে। তেওঁৰ আদৰ্শৰ ধাৰা প্ৰজন্মৰ পাছত প্ৰজন্মলৈ প্ৰৱাহিত হ'ব বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই উপলক্ষে শ্ৰদ্ধা নিবেদন কৰি দিয়া বাৰ্তাত কয়, যে ভাৰতৰ যুৱ শক্তিৰ বাবে স্বামী বিবেকানন্দ প্ৰেৰণাৰ অন্তহীন স্ৰোঁত। তেওঁৰ ব্যক্তিত্ব আৰু কৰ্মই এখন বিকশিত ভাৰত গঠনৰ দিশত নতুন শক্তি জাগ্ৰত কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। জয়ন্তীৰ এই পৱিত্ৰ ক্ষণে দেশৰ যুৱ প্ৰজন্মৰ লগতে জনসাধাৰণক আত্মবিশ্বাস আৰু আত্মশক্তিৰে অগ্ৰসৰ হোৱাৰ দিক্ নিৰ্দেশ কৰিব বুলি তেওঁ মন্তব্য কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেন্দ্ৰীয় মন্ত্ৰী জি কিষাণ ৰেড্ডীৰ এটা লেখা সামাজিক মাধ্যমত প্ৰচাৰ কৰি দেশৰ নৱ প্ৰজন্ম জেন জিক আলোকপাত কৰে। যি নিজৰ শক্তিক ভালৰ বাবে প্ৰসাৰিত কৰি আছে। লগতে প্ৰধানমন্ত্ৰীয়ে কয় যে মন্ত্ৰী ৰেড্ডীয়ে তেওঁৰ প্ৰবন্ধটোত ভাৰতীয় যুৱক-যুৱতীসকলে ৰাষ্ট্ৰ নিৰ্মাণত কেনেদৰে পৰিৱৰ্তনশীল ভূমিকা পালন কৰিছে সেই কথা বিশেষভাৱে উল্লেখ কৰিছে। স্বচ্ছ ভাৰত, হৰ ঘৰ ত্ৰিৰংগা, মেৰি মাটি মেৰা দেশ আৰু  নিচামুক্তিৰ দৰে বৃহৎ অভিযানত অংশগ্ৰহণ কৰা যুৱক যুৱতীসকলকো শ্ৰীৰেড্ডীয়ে প্ৰশংসা কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ